
# প্ৰথম অধ্যায়

## ঢকুৱাখনা অঞ্চলৰ পৰিচয়, জনগাঁথনি আৰু সমাজ সংস্কৃতিৰ প্ৰতিফলন

### ১.১ ঢকুৱাখনা অঞ্চলৰ মানচিত্ৰ ঃ



বিভিন্ন অসম বুৰঞ্জীত 'হাবুঙ'ৰ নাম উল্লেখ আছে। ভৌগোলিক ভাৱে পূৰ্বৰ হাবুং থকা ঠাইতেই বৰ্তমানৰ 'ঢকুৱাখনা' অৱস্থিত বাবেই পুৰণি হাবুঙক এতিয়াৰ ঢকুৱাখনা বুলি ভাবিব পাৰি।

'ঢকুৱাখনা'ৰ নামকৰণৰ সম্পৰ্কত কোনো নিৰ্ভৰ যোগ্য তথ্য নাই। কিছুমান জনপ্ৰবাদ মানুহৰ মুখে-মুখে পূৰ্বৰে পৰা প্ৰচলিত হৈ আহিছে। সেই জন প্ৰবাদৰ ভিত্তিতেই 'হাবঙ'ৰ পৰা 'ঢকুৱাখনা' হ'ল বুলি মানি লোৱা হৈছে। জনশ্ৰুতি মতে, [৩] "হাৰ্হি (সাৰ্হি) থান খন আগতে গোৱাল গাঁৱত আছিল। মানৰ তৃতীয় আক্ৰমণত বহুতো মান সেনা ব্ৰহ্মপুত্ৰ পাৰ হৈ উত্তৰ পাৰলৈ আহি হাৰ্হি দেৱালয়ত থিতাপি লৈছিল। মান সৈন্যই দেৱালয়ৰ মূৰ্তি নষ্ট কৰাৰ লগতে মন্দিৰৰ ভিতৰতে গো-বধ কৰি তাৰ মাংস ভক্ষণ কৰি থান-খন অপবিত্ৰ কৰাত এনিশা গোঁসানীয়ে পূজাৰীক সমাজিকত দেখা দি ক'লে যে থানখন দেৰলীয়া গাঁৱলৈ তুলি নিব লাগে। লগতে সপোনত আদেশ দিলে কড়া আৰু চাৰিকড়ীয়া নৈ সংযোগ কৰি এটা জান খান্দিবলৈ। হাৰ্হি নৈৰে ভটীয়াই অহা এজোপা ডাঙৰ গছ সেই নতুনকৈ খন্দা জানটোৰেদি সোমাই আহি জানটোৰ এঠাইত লাগি ৰবহি। সেই গছজোপাৰ কাঠেৰে থান খনৰ ঘৰ-দুৱাৰ নিৰ্মিত হব। পিছদিনা পূজাৰীয়ে ৰাইজ গোটাই সমাজিকৰ কথাখিনি বিৰৰি ক'লে। ৰাইজে একেলগ হৈ অতি কম দিনৰ ভিতৰতে জানটো খান্দি উলিয়ালে জানটো খান্দি থাকোঁতে মাটি পেলাবলৈ তামোলৰ ঢকুৱা ব্যৱহাৰ কৰা হৈছিল। সেইবাবে জানটোৰ নাম দিলে ঢকুৱাখনা জান। জানটোৰ নাম অনুসৰি ঠাইখনৰ নাম হ'লগৈ "ঢকুৱাখনা"।

আন এটা জনশ্ৰুতি মতে,[৪] এই অঞ্চলৰ মাজেৰে বৈ থকা দুখন উপনৈৰ নাম কড়া আৰু চাৰিকড়ীয়া। আহোমৰ ৰাজত্ব কালত চাৰিটা কড়ি দি ঘাট পাৰ হব লাগে বাবে এই নৈ খনৰ নাম চাৰিকড়ীয়া। আনহাতে কড়া নৈৰে উজাই আহি পাৰত থকা মানুহৰ পৰা কৰ নাপালে বয়বস্তু চাউদাঙে কাঢ়ি আনিছিল বাবে নৈ খনৰ নাম কড়া। এই দুয়োখন নৈক সংলগ্ন কৰি খন্দা-জানটোৰ নাম অনুসৰিয়েই ঠাইখনৰ নাম হৈছিল 'ঢকুৱাখনা।' এই জানটো স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত খন্দাইছিল বুলি প্ৰবাদ আছে।

**১.৩ ঢকুৱাখনাৰ ভৌগোলিক পৰিচয় ঃ**

অৰুণাচল প্ৰদেশৰ নামনিত, হিমালয়ৰ পাদদেশত অৱস্থিত অসমৰ এখন অন্যতম জিলা 'লখিমপুৰ'। প্ৰশাসনৰ সুবিধাৰ বাবে ১৯৮৯ চনত পূৰ্বৰ লখিমপুৰ জিলাক দ্বি-খণ্ডিত কৰি 'উত্তৰ লখিমপুৰ'ক জিলা সদৰ আৰু 'ঢকুৱাখনা'ক মহকুমা ৰূপে স্বীকৃতি দিয়া হয়। মহকুমা হোৱৰ আগতে ই লখিমপুৰ জিলাৰ অতি ভিতৰুৱা ঠাই আছিল। প্ৰশাসনিক ভাৱে দ্বি-খণ্ডিত কৰিলেও 'ঢকুৱাখনাৰ' লগত মাছখোৱা আৰু পশ্চিম ধেমাজিৰ কিছু এলেকাৰ আত্মিক সম্পৰ্ক আছে। কিন্তু এই অঞ্চলবোৰক বৰ্তমান 'ঢকুৱাখনা'ৰ অন্তৰ্গত বুলি ক'বলৈ গৈও থমকিব লগা হয়।

ঢকুৱাখনা অঞ্চলটো প্ৰধানকৈ নদী পৰীয়া অঞ্চল। কড়া, চাৰিকড়ীয়া, চামপৰা, একড়ীয়া, সোৱণশিৰি, ব্ৰহ্মপুত্ৰ আদি বিভিন্ন নদীয়ে অঞ্চলটোক বিশেষ মাত্ৰা প্ৰদান কৰিছে। মানচিত্ৰৰ অধ্যয়নত ঢকুৱাখনাৰ ভৌগোলিক স্থিতি ২৭°৬´ৰ পৰা ২৭°৩৬´ উত্তৰ অক্ষাংশ আৰু ৯৪°২৪´ —৯৪°৪২´ পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় ৯০ মিটাৰ উচ্চতাত ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰিৰ মাজৰ অংশটোৱেই হ'ল 'ঢকুৱাখনা'। বৰ্তমান ঢকুৱাখনাৰ উত্তৰে ধেমাজি জিলাৰ বৰদলনি আৰু মাছখোৱা মৌজা; পূবে মাছখোৱা আৰু ব্ৰহ্মপুত্ৰ নদী, দক্ষিণে খেৰকটা সুঁতি আৰু পশ্চিমে সোৱণশিৰি নদী।

**১.৩.১ ভূ-প্ৰকৃতি আৰু গছ-গছনি ঃ**

ঢকুৱাখনা হিমালয়ৰ পাদদেশত অৱস্থিত অঞ্চল। ই ব্ৰহ্মপুত্ৰৰ পবন ভূমিৰ ওপৰত অৱস্থিত বাবে অঞ্চলটোত সোৱণশিৰি, চাৰিকড়ীয়া, কড়া, চামপৰা আদি নদ-নদী আৰু বিভিন্ন জান-জুৰিৰ সৃষ্টি হৈছে। প্ৰকৃতিৰ ভূ-ভাগত খনন, বহন আৰু অৱক্ষেপণে প্ৰাক-কেম্ব্ৰিয়ান যুগৰ পৰা পৰিবৰ্তন কৰি অহাৰ দৰে ঢকুৱাখনাৰ ভূ-ভাগৰো পৰিবৰ্তন কৰিছে। ঢকুৱাখনাৰ ভূ-ভাগ বেছি হেলনীয়া নহয়। নদী সমূহৰ গতিও উত্তৰ-পূবৰ পৰা দক্ষিণলৈ যোৱাৰ পৰিবৰ্তে, উৎপত্তি স্থলৰ সামান্য পূবলৈ আহি দক্ষিণ-পশ্চিমলৈ গতি কৰা। নদী সমূহৰ গতিও কিছু পৰিমানে মন্থৰ।

‘ঢকুৱাখনা’ ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰি নদীৰ মাজত অৱস্থিত অঞ্চল। তাৰ পৰা কিছু দূৰত অৱস্থিত চাৰিকড়ীয়া, কড়া আদি নদীয়ে ‘ঢকুৰাখনা’ক নৈ পৰীয়া সভ্যতা ৰূপে গঢ়ি তুলিছে। সেয়ে ঢকুৱাখনালৈ বিভিন্ন সময়ত বিভিন্ন লোকৰ প্ৰব্ৰজন হৈছে। অৰুণাচল প্ৰদেশৰ পৰা কাঠ, বাঁহ, বালি, বোকা, গছ-পাত আ দি নদী সমূহে কঢ়িয়াই অনাৰ ফলত অঞ্চলটোৰ মাটি সাৰুৱা আৰু পলসুৱা। ই খেতিৰ বাবে উপযোগী। ধান, মাহ, সৰিয়হ আদি সকলো খেতিয়েই ভাল হয়। অঞ্চলটোৰ সৰহ সংখ্যক লোকেই কৃষিজীৱী। বৰ্তমান ঢকুৱাখনাৰ মুঠ মাটিকালি ৬,৯৫৯ বৰ্গ কিঃ মিঃ। মুঠ গাৱঁৰ সংখ্যা ৰাজগাঁও ১৯৫ খন আৰু জৰীপ নোহোৱা ৬৫ খন। জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত ২৮০ জন।

হিমালয়ৰ পাদদেশৰ টৰাই অঞ্চলত অৱস্থিত বাবে পৰ্ণপাতী আৰু চিৰসেউজীয়া দুয়োবিধ গছেই অঞ্চলটোত পোৱা যায়। ঢকুৱাখনাত মুঠতে ৩৭ খন মান সৰু বিল আছে। এই বিল আৰু জলাশয়বোৰত মাছ-কাছৰ উপৰিও বিভিন্ন চৰাইৰ কোলাহল দেখা যায়। মৎস্য ব্যৱসায়ী সকলে জধে-মধে মাছ ধৰি ব্যৱসায় কৰাৰ ফলত বৰ্তমান মাছৰ পৰিমাণ কমি আহিছে। অসমৰ দ্বিতীয়খন পক্ষী উদ্যান ‘বৰদৈবাম বিলমুখ’ আৰু কোৱাবাৰী দলনিত স্থানীয় বিভিন্ন পক্ষী আৰু শীতকালত ভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী চৰাইৰ আগমন ঘটে।

পূৰ্বৰ তুলনাত ঢকুৱাখনাত হাবি-জংঘলৰ পৰিমাণ কমি আহিলেও এতিয়াও শতকৰা ৩৩ শতাংশতকৈ অধিক গছ-গছনি আছে। কেটেলা পহু, শহাপহু, বিভিন্ন প্ৰাজতিৰ সাপ, সৰীসৃপ নানা প্ৰাজাতিৰ চৰাই ভাটো, শালিকা, দহিকতৰা, ডাউক আদি ঢকুৱাখনাৰ হাবি জংঘলবোৰত পোৱা যায়। অঞ্চলটোৰ বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ বাৰীয়ে ঘৰে নানা ঔষধি গুণসম্পন্ন গছ আছে আৰু সেইবোৰৰ ওপৰত সুকীয়া গৱেষণাৰ পূৰ্ণ সম্ভাৱনা আছে।

**১.৩.২ বতৰ আৰু জলবায়ু ঃ**

সামগ্ৰিক ভাৱে অসমৰ জলবায়ুৰ লগত ঢকুৱাখনা অঞ্চলৰ জলবায়ুৰ গতি-প্ৰকৃতিৰ বৰ বেছি পাৰ্থক্য নাথাকে। কাৰণ জলবায়ুৰ ফালৰ পৰা 'চেৰাপুঞ্জী' বা 'মৌচিনৰামৰ দৰে ই বিশেষ বৈশিষ্ট্যযুক্ত অঞ্চল নহয়। তথাপিও ঢকুৱাখনাৰ জলবায়ু দক্ষিণ পূব এছীয় মৌচুমী বলয়ৰ অন্তৰ্গত। অঞ্চলটোত পৰিচলন, ঘূৰ্ণীবায়ুজনিত আৰু শৈলোৎক্ষেপ এই তিনি প্ৰকাৰৰ বৰষুণ হয়। জুন মাহৰ পৰা আগষ্ট মাহলৈ এই সময়খিনিত অঞ্চলটোত অতিপাত বৰষুণ হয়। বতৰ আৰু জলবায়ুৰ লগত আৰ্দ্ৰতা ও সাঙোৰ খাই থাকে। ঢকুৱাখনাত জুলাই মাহত বছৰৰ সৰ্বোচ্চ আৰু মাৰ্চ আৰু নবেম্বৰ মাহত আৰ্দ্ৰতাৰ পৰিমাণ নূন্যতম। জানুৱাৰী মাহত ঢকুৱাখনাত হাড় কঁপোৱা জাৰ অনুভূত হয় লগতে কুঁৱলীৰ পৰিমানো বেছি হয়। শীতকালত তাপমাত্ৰা ৪° ছেলছিয়াছ পৰ্যন্ত তললৈ নমাৰ বিপৰীতে গ্ৰীষ্মকালত ৩৮° ছেলছিয়াছৰ আশে-পাশে উত্তাপ থাকে। চেপ্তেম্বৰ মাহলৈকে গৰম থাকিলেও তুলনামূলক ভাৱে আগষ্ট মাহত 'ঢকুৱাখনা'ত গৰমৰ প্ৰকোপ বেছি হয়।

**১.৪ ঢকুৱাখনা অঞ্চলৰ সামাজিক পৰিচয় আৰু জনগাঁথনি ঃ**

প্ৰকৃতিৰ ৰম্যভূমি অসমলৈ বিভিন্ন সময়ত বিভিন্ন জাতি-জনজাতি, ভাষা গোষ্ঠীৰ লোকৰ আগমন হৈছিল। অসমৰ অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্য, জলবায়ু, খেতি-বাতিৰ বাবে সুচল পৰিবেশৰ বাবে চাগৈ প্ৰাগ-ঐতিহাসিক কালৰে পৰা অষ্ট্ৰিক, দ্ৰাবিড়, মংগোলীয়, আলপাইন, আৰ্য আদি বিভিন্ন জাতি-জনজাতিৰ লোকে অসমত বাস কৰিবলৈ আৰম্ভ কৰে । লখিমপুৰ জিলাৰ ঢকুৱাখনা মহকুমাতো পূৰ্বৰে পৰা নানা জাতি-জনগোষ্ঠীৰ লোকে সমিল-মিলেৰে বসবাস কৰি আহিছে। অঞ্চলটোৰ অধিক সংখ্যক লোকেই খেতি-বাতি কৰি জীৱন-নিৰ্বাহ কৰে, তথাপিও শিক্ষা আৰু সাংস্কৃতিক দিশৰ প্ৰতি সচেতন ঢকুৱাখনাৰ অঞ্চলবাসী। যুগৰ পৰিবৰ্তনৰ লগে লগে ঢকুৱাখনাই লাহে-লাহে নগৰী কৰণৰ দিশে আগবাঢ়িছে, তথাপিও অঞ্চলটোত সুস্থিৰ সামাজিক বাতাবৰণ; মৰম চেনেহ, শ্ৰদ্ধা-ভক্তি আদি মানৱীয় প্ৰমূল্যবোধ তিলমানো হেৰাই যোৱা নাই। এক কথাত কবলৈ হ'লে 'ঢকুৱাখনা'ৰ সামাজিক বাতাবৰণ শান্তি প্ৰিয় আৰু সুশৃংখলিত।

ঢকুৱাখনা মহকুমাত আহোম, চুতীয়া, দেউৰী, কোঁচ-কলিতা, ব্ৰাহ্মণ, মিছিং, নেপালী, কৈৱৰ্ত, সোণোৱাল কছাৰী, সূত, মুছলমান আদি বিভিন্ন জনগোষ্ঠীৰ মানুহে বাস কৰি আহিছে।

**(ক) ঢকুৱাখনা মহকুমাৰ আহোমসকল ঃ**

অঞ্চলটোৰ এটা অন্যতম জগগোষ্ঠী হ'ল আহোম সকল। ঢকুৱাখনা মহকুমাৰ বিভিন্ন গাঁৱত আহোম লোকসকলৰ বসতি আছে। অঞ্চলটোৰ কাঠৰবাৰী, চেতিয়া গাঁও , বাগিচা গাঁও, বান্তৌ গাঁও, দীঘলা গাঁও, হিলৈদাৰী, মালবাৰী, জামুগুৰি, কোঁৱৰ গাঁও, মহেমাৰী, ঘটাপৰা, চৈগুৰি, মূৰ্তিয়া, ৰাইদিঙীয়া, বাংকেলেং আদি বিভিন্ন গাঁৱত আহোম লোকৰ ঘন বসতি আছে।

**(খ) চুতীয়া সকল ঃ**

অঞ্চলটোত প্ৰধানকৈ দেৰলীয়া, বালিগাঁও, কেঁকুৰী, গোৱালগাঁও, আমগুৰি, গন্ধিয়া, টাউন-তিনিআলিত চুতীয়া  মানুহৰ গাঁও আছে।

**(গ) দেউৰী সকল ঃ**

অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভিতৰত দেউৰী সকল অন্যতম। ঢকুৱাখনাত মাত্ৰ 'বালিদেউৰী' নামৰ গাঁওখনতহে দেউৰী লোকৰ বসতি আছে।

**(ঘ) কোঁচ-কলিতা সকল ঃ**

ঢকুৱাখনা মহকুমাৰ আমকটীয়া, জালভাৰী, ভগামুখ, কলাকটা, কমাৰগাঁও, পানীগাঁও, জিয়ামৰীয়া, গোবিন্দপুৰ, থেকেৰাগুৰি, কলিতা গাঁও (ঘিলামৰা) আদিত কলিতা আৰু কোঁচ সকলৰ সুকীয়া গাঁও আছে।

**(ঙ) ব্ৰাহ্মণ সকল ঃ**

আৰ্য সকলৰ চতুৰ্বৰ্ণৰ শ্ৰেষ্ঠ ব্ৰাহ্মণ সকল । ঢকুৱাখনাত ব্ৰাহ্মণ লোকৰ সংখ্যা আন জনগোষ্ঠীৰ তুলনাত কম আৰু তেওঁলোক সিচঁৰিত হৈ আছে। বিশেষকৈ জিয়ামৰীয়া, বাঁহপৰা, দেৰলীয়া আদি গাঁওবোৰত কেইবাঘৰো ব্ৰাহ্মণ লোকে একো একোটা চুবুৰীৰ দৰে বাস কৰি আহিছে।

**(চ) মিছিং সকল ঃ**

মিছিং সকল ঢকুৱাখনাৰ আন এটি অন্যতম জনগোষ্ঠী। নদীপৰীয়া অঞ্চলত বসবাস কৰা এই জনগোষ্ঠীৰ লোকসকলে ঢকুৱাখনাৰ চাৰিকড়ীয়া আৰু খেৰকটা নৈৰ মাজত মাতমৰা অঞ্চলৰ পৰা সোৱণশিৰিৰ পাৰলৈকে পূৰ্বৰে পৰা বসবাস কৰি আহিছে।

**(চ) নেপালী সকল ঃ**

মান ভগনৰ পিছত ঢকুৱাখনালৈ অহা নেপালীসকলে ঢকুৱাখনা মহকুমাৰ বিভিন্ন প্ৰান্তত গৰু, ছাগলী পুহি বাস কৰিবলৈ আৰম্ভ কৰে। বৰ্তমান ঢকুৱাখনাৰ নেমুটেঙানী, গোৰ্খালী, বগৰীবাৰী, মাহধোৱা, গন্ধিয়া, বৰপাক, যুগীসূঁতি, খজুৱা আদিত  নেপালী লোকসকলে বাস কৰে।

**(ছ) কৈৰ্ৱত সকল ঃ**

ঢকুৱাখনা মহকুমাৰ হুজগাঁও, কপহুৱা, সুঁতিমুখ, পুথিখাতী, কোঁৱৰহতীয়া, পৃথিয়াল, বাঁহপৰা, ন-নদী, কচুগাঁও, নাহৰণি আদি বিভিন্ন ঠাইত কৈৱৰ্ত সকলে বাস কৰে। পূৰ্বতে তেওঁলোকে অসমৰ বিশেষকৈ ডিব্ৰুগড়, যোৰহাট আৰু মাজুলীৰ পৰা আহি ঢকুৱাখনাত বসতি স্থাপন কৰিছিল।

**(জ) সোণোৱাল কছাৰী সকল ঃ**

অঞ্চলটোত কেকুঁৰীকছাৰী, গৰুখুটি, মাহনিবাৰী, কৰৈগুৰিকছাৰী, ছেলাজানকছাৰী আদি গাঁওত সোণোৱাল কছাৰী লোকসকলে নিজস্ব জীৱন শৈলীৰে বসবাস কৰি আহিছে।

**(ঝ) সূত সকল ঃ**

ঢকুৱাখনা মহকুমাৰ ঘাঁহীগাঁও, ভগামুখ, আমোলাপট্টী, ঘিলামৰা (ঘাহিগাঁও) আদি গাঁওসমূহত সূত মানুহৰ বসতি আছে।

**(ঞ) মুছলমান সকল ঃ**

ঢকুৱাখনা মহকুমাত ‘মাণিকপুৰ’ নামৰ মুছলমান লোকৰ গাওঁ মাত্ৰ এখন। পূবৰ্তে বাহাপুৰ, তৰাচ, দণ্ডি আৰু মহম্মদ চাহ নামৰ চাৰিটা মুছলমান পৰিয়ালে শিৱসাগৰৰ পৰা আহি কমাৰ ৰূপে ঢকুৱাখনাত বসবাস কৰিছিল। ২০০১ চনৰ লোকপিয়ল মতে গাঁও খনত মুঠ ৬৮ ঘৰ মানুহ আৰু জনসংখ্যা ৩৯৬ জন।

ইয়াৰ উপৰিও ব্যৱসায় বাণিজ্যৰ খাতিৰত অঞ্চলটোলৈ মাৰোৱাৰী, বঙালী, বিহাৰী আদি লোকসকলে বিভিন্ন সময়ত আহি সমিল মিলেৰে বসবাস কৰি একেডাল ঐক্য সূতাৰে বান্ধ খাই আছে।

**১.৫ ঢকুৱাখনাৰ সাংস্কৃতিক দিশ ঃ**

প্ৰাচীন কালৰে পৰা সাংস্কৃতিক ক্ষেত্ৰত আগবঢ়া এখন ঠাই হল ঢকুৱাখনা। পূৰ্বৰে পৰা অঞ্চলটোত বিভিন্ন জাতি-জনজাতিৰ লোকে সমিল-মিলেৰে বাস কৰি আহিছে। কৃষিজীৱী, সহজ-সৰল মানুহৰ বসতিস্থল অঞ্চলটোত গাঁওমুখী সভ্যতাৰ চাপ এতিয়াও স্পষ্ট। তেওঁলোকে অঞ্চলটোৰ সামাজিক, সাংস্কৃতিক কামবোৰ নিষ্ঠাৰে পালন কৰে। অঞ্চলটোৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ, বিভিন্ন উৎসৱ অনুষ্ঠানত সকলোৱে ঐক্যবদ্ধভাৱে অংশগ্ৰহণ কৰে।

অসমীয়াৰ অতি আদৰৰ বাপতি-সাহোন ৰঙালী বিহুত ঘৰে-ঘৰে হুঁচৰি গায়। মাঘ বিহুত মেজি জ্বলাই ভোজ-ভাত খাই আনন্দ প্ৰকাশ কৰে। ঢকুৱাখনাৰ অন্যতম অনুষ্ঠান 'ফাট বিহু'ত সকলো জাতি-জনগোষ্ঠীৰ লোকৰ অংশগ্ৰহনে এক অনন্য সংস্কৃতিৰ পৰিচয় দি আহিছে। অঞ্চলটোৰ গাঁওবোৰৰ গাঁঠনিয়েও  ঐক্য সম্প্ৰীতিৰ বান্ধোন গঢ়ি তোলাত সহায় কৰিছে। উদাহৰণ স্বৰূপে, অঞ্চলটোত কলিতা সম্প্ৰদায়ৰ গাওঁখনৰ নিচেই কাষতে কৈৱৰ্ত বা আহোম সম্প্ৰদায়ৰ লোকৰে ভৰা গাঁওখন অৱস্থিত। আকৌ ইটো সম্প্ৰদায়ৰ লোকৰ খেতিৰ মাটিৰ কাষতে সিটো সম্প্ৰদায়ৰ লোকৰ খেতিৰ মাটি। ফলত অঞ্চলবাসীৰ সঘন আহ-যাহ, আত্মিক সম্পৰ্ক বহু দিনীয়া। যিবোৰে অঞ্চলটোৰ ঐক্য সংস্কৃতিৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। অতিথিপৰায়ণ অঞ্চলটোৰ লোকসকলে বিভিন্ন জনগোষ্ঠীৰ লোকৰ প্ৰতি পৰস্পৰ শ্ৰদ্ধা ভাৱ পোষণ কৰে। সেয়ে হয়তো অনামিছিং ডেকা-গাভৰুৰ মুখত দূৰণিৰ পৰা ভাঁহি অহা ঐনিতমৰ সুৰে মন্ত্ৰমুগ্ধ কৰা পৰিৱেশ এতিয়াও ঢকুৱাখনাত দুৰ্ল্লভ নহয়।

সময় সলনিৰ লগে লগে ঢকুৱাখনাৰ বুকুলৈ আধুনিকতা আহিলেও ঢকুৱাখনা অঞ্চলৰ মহিলাসকলৰ মাজত তাঁত-শালৰ আদৰ এতিয়াও আছে। ঢকুৱাখনাৰ মিছিং বোৱাৰী-জীয়ৰীৰ হাতৰ জিম্ কাপোৰে বিশ্বৰ বজাৰ দখল কৰিছে। অঞ্চলটোত এতিয়াও এড়ী-মুগা, পাট-পলু ঘৰতে পুহি নিজে সূতা কা

টি কাপোৰ বৈ পিন্ধা হয়। ই অঞ্চলটোৰ সুকীয়া সংস্কৃতিৰ পৰিচায়ক। এক কথাত কবলৈ গলে বিভিন্ন পৰম্পৰাগত ৰীতি-নীতি, উৎসৱ অনুষ্ঠান, সাজ-পাৰ, আচাৰ ব্যৱহাৰ আদি সকলো দিশতে ঢকুৱাখনা অঞ্চলৰ নিজস্ব সংস্কৃতিৰ উমান পাব পাৰি।

**প্ৰসঙ্গটোকা ঃ**

১। মহেশ্বৰ নেওগ ঃ প্ৰাচ্য-শাসনাৱলী - পৃষ্ঠা- ৮৪

২। হৰকান্ত বৰুৱাসদৰামিন ঃ অসম বুৰঞ্জী - পৃষ্ঠা - ৩১-৩২

৩। অমিয় কুমাৰ সন্দিকৈ (সম্পা.) ঃ নন্দ চুতীয়া; ‘হেৰুৱা দিনৰ সোনালী অতীত ঢকুৱাখনা’, স্মৃতি গ্ৰন্থ, ৰূপালী জয়ন্তী, ঢকুৱাখনা মহাবিদ্যালয়, ১৯৯১, পৃষ্ঠা -৩৮

৪। চন্দ্ৰধৰ চমুৱা (সম্পা.) ঃ হোমেন দাস, সৰ্বেশ্বৰ সুত, ঢকুৱাখনাৰ ইতিহাসত এভূমুকি, সৱৰ্ণসীৰা, স্মৃতিগ্ৰন্থ,ঢকুৱাখনা উচ্চ মাধ্যমিক বিদ্যালয়, পৃষ্ঠা - ৮৩